**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। আমেৰিকাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক ছুলিভানে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে প্ৰস্তুত কৰি উলিওৱা ভাৰতপ'ল পৰ্টেলৰ মুকলি কৰিব।

৩। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ বাবে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত আয়োজিত প্ৰাক বাজেট আলোচনা নতুন দিল্লীত সামৰণি পৰে।

৪। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰৰ অংশ হিচাপে কালি মুম্বাইত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। **আৰু**

৫। কোৱালালামপুৰত অনুষ্ঠিত মালেয়ছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত আজিৰে পৰা ভাৰতীয় খেলুৱৈসকলে অংশগ্ৰহণ কৰিব।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক চুলিভানে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰে। তেওঁলোকে ভাৰত-আমেৰিকাৰ মাজত বিগত চাৰি বছৰত গঢ়ি উঠা গোলকীয় কৌশলগত অংশীদ্বাৰিত্বৰ বিষয়সমূহ- বিশেষকৈ প্ৰযুক্তি, প্ৰতিৰক্ষা, মহাকাশ, নিকা শক্তি, অৰ্ধপৰিবাহী, আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ মূল ক্ষেত্ৰসমূহত হোৱা অগ্ৰগতিৰ মূল্যায়ন কৰে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বাইডেনৰ সৈতে বিভিন্ন সময়ত অনুষ্ঠিত বৈঠকৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-আমেৰিকাৰ মাজৰ কৌশলগত অংশীদ্বাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি বাইডেনৰ অৱদানৰ শলাগ লয়।

মোদীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ সুবিধা তথা গোলকীয় শান্তিৰ দেশ দুখনৰ মাজত ঘনিষ্ঠ সহযোগিতা অব্যাহত ৰখাৰ দায়বদ্ধতাৰ কথা পুনৰ দোহাৰে।

ooooo

সমাগত ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ বাবে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰাক বাজেট আলোচনাৰ কালি নতুন দিল্লীত সামৰণি পৰে। যোৱা ৬ ডিচেম্বৰৰ পৰা এমাহজুৰি এই আলোচনা অব্যাহত আছিল।

এই আলোচনাৰ সময়ছোৱাত নটা অংশীদাৰীত্ব গোটৰ লগতে এশৰো অধিক আমন্ত্ৰিত লোকে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত কৃষক সংঘ আৰু কৃষি অৰ্থনীতিবিদ, ট্ৰেড ইউনিয়ন, শিক্ষা আৰু স্বাস্থ্য খণ্ড, বাণিজ্য আৰু সেৱা, উদ্যোগ, অৰ্থনীতিবিদ, বিত্তীয় খণ্ড আৰু মূলধনী বজাৰৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিয়ে আলোচনাত অংশগ্ৰহণ কৰে। আলোচনাকালত অংশগ্ৰহণকাৰীসকলে তেওঁলোকৰ বহুমূলীয়া দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিত্তমন্ত্ৰীয়ে তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে ২০২৫-২৬ বিত্তীয়

বৰ্ষৰ কেন্দ্ৰীয় বাজেট প্ৰস্তুত কৰাৰ সময়ত তেওঁলোকৰ পৰামৰ্শসমূহ পৰীক্ষা আৰু বিবেচনা কৰা হ’ব বুলি বিশেষজ্ঞ আৰু প্ৰতিনিধিসকলক আশ্বাস দিয়ে। উল্লেখযোগ্য যে অহা ১০ জানুৱাৰীৰ পৰা সাধাৰণ নাগৰিকে মাইগভ পৰ্টেলৰ জৰিয়তে ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ বাবে তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াব পাৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা- চিবিআয়ে প্ৰস্তুত কৰি ওলিওৱা ভাৰতপ'ল পৰ্টেল মুকলি কৰিব। ভাৰতপ’ল পৰ্টেলে ইণ্টাৰপ’লৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সাহায্যৰ বাবে কৰা সকলো আবেদনৰ প্ৰক্ৰিয়া সুশৃংখলিত কৰিব বুলি আশা কৰা হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে চিবিআইয়ে প্ৰস্তুত কৰা ভাৰতপ’ল পৰ্টেল মুকলি কৰাটো দেশৰ বাবে এটা উল্লেখযোগ্য দিন হিচাপে বিবেচিত হৈ ৰব। তেওঁ লগতে কয় যে এই প'ৰ্টেলে ভাৰতীয় তদন্তকাৰী সংস্থাসমূহক তেওঁলোকৰ বিশ্বব্যাপী প্ৰসাৰ বৃদ্ধি কৰাৰ লগতে মোডী চৰকাৰে সকলোৰে বাবে সুৰক্ষিত ভাৰত গঢ়াৰ যি লক্ষ্য লৈছিল সেই লক্ষ্য পূৰণৰ বাবে এক নতুন গতি প্ৰদান কৰিব।

এই সন্দৰ্ভত গৃহ মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে দেশৰ আইন প্ৰয়োগকাৰী সংস্থাসমূহক শক্তিশালী কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে।

আমাৰ নতুন দিল্লীৰ সংবাদদাতাই জনোৱা মতে ভাৰতপোল পৰ্টেলে ভাৰতীয় আইন প্ৰয়োগকাৰী সংস্থাসমূহক আন্তঃৰাষ্ট্ৰীয় আৰক্ষী সহায় লাভৰ ক্ষেত্ৰত অধিক সুবিধা প্ৰদান কৰিব। বিশেষকৈ চাইবাৰ-অপৰাধ, আৰ্থনৈতিক অপৰাধ, সংগঠিত অপৰাধ, ড্ৰাগছ সৰবৰাহ, আৰু মানৱ সৰবৰাহৰকে ধৰি আন্তঃৰাষ্ট্ৰীয় অপৰাধ ৰোধৰ বাবে বাবে তদন্তৰ সময়ত ক্ষীপ্ৰ আন্তঃৰাষ্ট্ৰীয় সহায়ৰ প্ৰয়োজন। এই প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ চিবিআইয়ে ভাৰতপ’ল পৰ্টেলটো প্ৰস্তুত কৰি ওলিয়াইছে।

এই অনুষ্ঠানতে গৃহমন্ত্ৰী অমিত শ্বাহে চিবিআইৰ 35 গৰাকী বিষয়াক আৰক্ষীৰ পদক প্ৰদান কৰিব। এইসকল বিষয়াক বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আৰু তদন্তৰ ক্ষেত্ৰত উৎকৃষ্টতাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ পদকৰ বাবে পূৰ্বে নাম ঘোষণা কৰা হৈছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মাইক্ৰ’ছফ্‌ট কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া সত্য নাডেল্লাক নতুন দিল্লীত সাক্ষাৎ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তা যোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত মাউক্ৰ’ছফ্‌টৰ সম্প্ৰসাৰণ আৰু বিনিয়োগৰ পৰিকল্পনাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই বৈঠকত প্ৰধানমন্ত্ৰী মোদী আৰু সত্য নাডেল্লাই প্ৰযুক্তি, উদ্ভাৱন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে।

ooooo

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেব্ৰুৱাৰীত হ’বলগীয়া এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰৰ অংশ হিচাপে কালি মুম্বাইত এটা ৰোড শ্ব’ত অংশগ্ৰহণ কৰে। ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰা হৈছে।

তিনিদিনীয়া মুম্বাই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়িক নেতাৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে টাটা গোটকে

ধৰি আগশাৰীৰ কেইবাটাও ব্যৱসায়িক গোটৰ সৈতে বিভিন্ন ধৰণৰ আলোচনা কৰা হৈছে। ইতিমধ্যে টাটা গোটে অসমত ৩০ হাজাৰ কোটিৰ ছেমি কণ্ডাক্টৰ উদ্যোগ নিৰ্মাণ কৰিছে। ৰাজ্যখনৰ উন্নয়নৰ বাবে আন্তঃগাঁথনি আৰু সুযোগৰ ওপৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে অসমত ৫টা তেল শোধনাগাৰ আৰু এটা সমৃদ্ধিশালী পৰ্যটন খণ্ড আছে। বৰ্তমান ছেমি কণ্ডাক্টৰ, প্ৰযুক্তি আৰু বৈদ্যুতিক সামগ্ৰীৰ নিৰ্মাণত বিনিয়োগ কৰাত গুৰুত্ব আৰোপ কৰিব লাগে বুলি তেওঁ উল্লেখ কৰে। সমাগত সময়ত অসম বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে বুলিও ৰাজ্যৰ প্ৰকাশ কৰে।

০০০০০

তামিলনাডুত হিউমেন মেটানিউমʼ ভাইৰাছ অৰ্থাৎ এইচ এম পি ভিত দুগৰাকী ব্যক্তি আক্ৰান্ত হৈছে। ইয়াৰে এগৰাকী চেন্নাই আৰু আন গৰাকী ছালেমৰ বুলি জানিব পৰা গৈছে। ৰাজ্যখনৰ চৰকাৰে প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিছে যে এয়া কোনো নতুন ভাইৰাছ নহয়, এইবিধ ২০০১ চনতে চিনাক্ত কৰা হৈছিল। এই ভাইৰাছবিধৰ বাবে আতংকিত হোৱাৰ কোনো কাৰণ নাই বুলি তামিলনাডুৰ চৰকাৰে জানিবলৈ দিছে। আক্ৰান্ত দুয়োগৰাকী ব্যক্তিক চিকিৎসকৰ তত্বাৱধানত ৰখা হৈছে আৰু বৰ্তমান তেওঁলোকৰ স্বাস্থ্যৰ অৱস্থা সুস্থিৰ জানিব পৰা গৈছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ সতৰ্কবাণীৰ উদ্ধৃতি দি তামিলনাডু চৰকাৰে কয়, যে এই সমছোৱাত মাস্ক পৰিধান কৰা, সঘনাই হাত ধোৱা, কোনো ধৰণৰ লক্ষণে দেখা দিলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা আদি জৰুৰী।

আনহাতে দিল্লীৰ স্বাস্থ্য মন্ত্ৰী সৌৰভ ভৰদ্বাজে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগক ৰাজধানী চহৰখনত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ কয়, যে স্বাস্থ্য মন্ত্ৰালয়ৰ পৰামৰ্শ অনুসৰি সকলো চিকিৎসালয়তে শ্বাস প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি হোৱা পৰিলক্ষিত হ'লে সেয়া ৰোধ কৰিবলৈ সকলো প্ৰস্তুতি সাজু কৰি তোলাৰ বাবে নিৰ্দেশ দিয়া হৈছে। শ্ৰীভৰদ্বাজে কয়, যে স্বাস্থ্য সচিবক প্ৰতিদিনে তিনিখনকৈ হস্পিতাল নিৰীক্ষণ কৰি মন্ত্ৰালয়ক ইয়াৰ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

ইতিমধ্যে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰীক্ষাত কৰ্ণাটকত এটি তিনিমহীয়া কন্যা শিশু আৰু এটি আঠমহীয়া ল'ৰাৰ দেহত এই ৰোগ ধৰা পৰাৰ বিষয়ে নিশ্চিত কৰিছে। এটা বিবৃতি যোগে স্বাস্থ্য মন্ত্ৰালয়ে কয়, যে ভাৰতৰ উপৰি বিশ্বৰ অনান্য দেশত এই ৰোগৰ সংক্ৰমণ হৈছে আৰু আক্ৰান্তসকলৰ শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ সৃষ্টি হৈছে। চীন দেশত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্ব স্বাস্থ্য সংস্থাই পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে।

০০০০০

মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত ৩১ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছৰ কালি সামৰণি পৰে। চাৰিদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ দ্বাৰা প্ৰতিভা বিকাশৰ লগতে ছাত্ৰ-ছাত্ৰীক বিজ্ঞান প্ৰতি আকৰ্ষিত কৰিব বুলি আশা কৰা হৈছে। শিক্ষাৰ্থীসকলৰ কল্পনা আৰু উদ্ভাৱনে নতুন দিশ লাভ কৰাৰ বাবে এয়া উপযুক্ত মঞ্চ। এই কাৰ্যসূচীত প্ৰায় ৬৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে আৰু ১৯৪টা প্ৰকল্প তথা আৰ্হি উপস্থাপন কৰা হয়। ইয়াৰ ভিতৰত ৩৭৬ গৰাকী ছাত্ৰীয়ে বিজ্ঞানৰ আৰ্হি প্ৰদৰ্শন কৰে। আনহাতে ৬ খন দেশ আৰু ২৮ ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

কোৱালালামপুৰত অনুষ্ঠিত মালেয়ছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত আজিৰে পৰা ভাৰতীয় খেলুৱৈসকলে অংশগ্ৰহণ কৰিব। পুৰুষৰ ডাবলছ্ শাখাত সাত্বিক ছাইৰাজ ৰণকি ৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটোৱে চাইনীজ টাইপেইৰ মিং চে লু আৰু তাং কাই ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষৰ একক শাখাত লক্ষ্য সেন, প্ৰিয়াংশু ৰাজাৱাট আৰু প্ৰণয় এইচ এছৰ লগতে মহিলাৰ একক শাখাত মালবিকা, আকৰ্শি কাশ্যপ আৰু অন্নপূৰ্ণা উপাধ্যায়ে নিজৰ অভিযান আৰম্ভ কৰিব।

০০০০০

সমাপ্ত